# অসম ইয়ুথ ফুটবল (অনূৰ্ধ্ব-১৩) লীগ ২০২৫-২০২৬

**নগাঁও, ১০ মে :** অসম ফুটবল সন্থাৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ সহযোগত নুৰুল আমিন ষ্টেডিয়ামত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম ইয়ুথ ফুটবল লীগ (অনূৰ্ধ্ব-১৩) আজিৰে পৰা আৰম্ভ হৈছে। অহা ৬ জুনলৈকে চলিবলগীয়া ডাবল ৰবীন ৰাউণ্ড ভিত্তিত আয়োজিত এই লীগৰ আজি গুৱাহাটীৰ উই স্প'ৰ্টছ বনাম মূৰ্কংচেলেক ইউনাইটেড এফ চিৰ মাজৰ উদ্বোধনী খেলখন ৩-৩ গ'লত ড্ৰ' হোৱাত দুয়োটা দলে পইণ্ট ভগাই লয়।

অসম ফুটবল সন্থাৰ কোষাধ্যক্ষ হীৰেন গগৈয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা এই লীগত যোগদান কৰা আঠটা দল হ'ল ক্ৰমে পি জে পি এফ চি, উই স্প'ৰ্টছ, বডোফা এফ চি, গুৱাহাটী ইউনাইটেড, কাজিৰঙা স্প'ৰ্টছ ক্লাব, ব্ৰহ্মপুত্ৰ ডলফিন, মূৰ্কংচেলেক ইউনাইটেড এফ চি আৰু গুৱাহাটী টাউন ক্লাব ।

নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে আদৰণি ভাষণ আগবঢ়োৱা শুভাৰম্ভণি অনুষ্ঠানত অসম ফুটবল সন্থাৰ প্ৰশাসনিক বিষয়া ৰঞ্জিত মহন্ত, ৰেফাৰী হেড অ'হিদুজ জামান, ক্ৰীড়া সংগঠক উজ্জ্বল বৰুৱা, অসীম কুমাৰ ভাৰাল, প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য, দিগন্ত বৰা, সঞ্জয় কুমাৰ মাহাতু আৰু আজহাৰউদ্দিন আহমেদ আদি উপস্থিত থাকে।

গুৱাহাটীৰ উই স্প'ৰ্টছ দলে উদ্বোধনী খেলখনৰ ৩ মিনিটতে নীলাভ বৰাৰ জৰিয়তে প্ৰথম গ'লটো দিয়ে। ১১ মিনিটত মূৰ্কংচেলেক ইউনাইটেড এফ চিৰ ৰোচন আলিয়ে গ'ল স্ক'ৰৰে সমতা স্থাপিত কৰে। কিন্তু ২৭ মিনিটত উই স্প'ৰ্টছ ভৈৰৱৰ জৰিয়তে আত্মঘাটি গ'লেৰে বিৰতিলৈ ২-১ গ'লত পিছপৰি থাকে।

বিৰতিৰ পিছতে উদীয়মান খেলুৱৈৰে সমৃদ্ধ দুয়োটা দলে চমৎকাৰ ক্ৰীড়াশৈলীৰে দৃষ্টিনন্দন প্ৰদৰ্শন দাঙি ধৰে। খেলৰ ৫০ মিনিটত মূৰ্কংচেলেক ইউনাইটেড এফ চিৰ ৰোচনে ব্যক্তিগত দ্বিতীয়টো গ'ল দি ব্যৱধান ৩-১ গ'ললৈ বৃদ্ধি কৰে। ইয়াৰ পিছত উই স্প'ৰ্টছে গ'ল দিবৰ বাবে বিপক্ষৰ ৰক্ষণ বিভাগত ব্যাপক হেঁচা প্ৰয়োগৰে খেলি ৫৪ মিনিটত নীলাভে ব্যক্তিগত দ্বিতীয় আৰু ৬১ মিনিটত প্ৰতীক সোণাৰে দলৰহৈ এটা গ'ল স্ক'ৰৰে ৩-৩ গ'লত সমতা স্থাপিত কৰে।

## Assam Youth Football (Under-13) League 2025-2026

**Nagaon, May 10 :** The Assam Youth Football League (Under-13), organised for the first time at Nurul Amin Stadium under the initiative of the Assam Football Association and in association with the Nowgong Sports Association, kicked off today. The double round-robin league, which will continue till June 6, began with the opening match between We Sports of Guwahati and Murkongselek United FC ending in a 3-3 draw, with both teams sharing a point each.

The league was formally inaugurated by Treasurer of the Assam Football Association, Hiren Gogoi. The eight participating teams in the tournament are PJP FC, We Sports, BodoFA FC, Guwahati United, Kaziranga Sports Club, Brahmaputra Dolphins, Murkongselek United FC and Guwahati Town Club.

At the inaugural function, General Secretary of the Nowgong Sports Association, Tapan Kumar Das, delivered the welcome address. Administrative Officer of the Assam Football Association Ranjit Mahanta, Referee Head Ohiduzzaman, and sports organisers Ujjal Baruah, Asim Kumar Bhawal, Prantar Kumar Bhattacharya, Diganta Bora, Sanjay Kumar Mahatu and Azharuddin Ahmed were also present on the occasion.

In the opening match, Nilav Bora gave We Sports the lead in the 3rd minute. Roshan Ali of Murkongselek United FC equalised in the 11th minute. However, an own goal by Bhairav of We Sports in the 27th minute gave Murkongselek United a 2-1 lead at halftime.

After the break, both teams, featuring several promising young players, displayed attractive football. In the 50th minute, Roshan Ali scored his second goal of the match to extend Murkongselek United’s lead to 3-1. We Sports then mounted heavy pressure on the opposition defence, with Nilav Bora scoring his second goal in the 54th minute before Pratik Sonar netted the equaliser in the 61st minute to make the score 3-3.